2008

ASSAMESE

SEVENTH PAPER

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer questions from the Group offered by you

GROUP—A

প্ৰথম খণ্ড

(*মূল্যাঙ্ক* : ৪০)

১ নং প্ৰশ্ন আৰু আন যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখিবা

১। (ক) নৱধা ভক্তিৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্ত্তনকে প্ৰধান স্থান শঙ্কৰদেৱে কিয় দিছে, বিশদভাৱে আলোচনা কৰা। ১৬

অথবা

(খ) 'কীৰ্ত্তনঘোষা'ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত শৃঙ্গাৰৰস আৰু ভক্তিৰসৰ সমন্বয় কিদৰে পৰিস্ফুট হৈছে, বিশ্লেষণ কৰা।

অথবা

(গ) "ভক্তিতত্ত্ব নিৰূপক গ্ৰন্থ হিচাপে 'নামঘোষা' নিৰুপম।" এই কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।

২। 'ভক্তিৰত্নাকৰ' গ্ৰন্থখনত 'ঈশ্বৰনিৰ্ণয় মাহাত্ম্য' বা 'সাধুসঙ্গ মাহাত্ম্য' অধ্যায়ৰ মূলকথা তোমাৰ ভাষাত চমুকৈ লিখাঁ। ১২

৩। (ক) 'ভক্তিবিৱেক' গ্ৰন্থত 'ভগৱদ্‌ভক্তি মাহাত্ম্য' পৰিচ্ছেদত ভক্তিতত্ত্বৰ বিষয়ে উল্লেখ কৰা কথাখিনি স্পষ্টভাৱে আলোচনা কৰাঁ। ১২

অথবা

(খ) 'সৎসঙ্গ নিৰ্ণয়' পৰিচ্ছেদত ভট্টদেৱে সাধুসঙ্গৰ প্ৰয়োজনীয়তাৰ বিষয়ে উপস্থাপন কৰা পৰামৰ্শসমূহ আলোচনা কৰাঁ।

৪। (ক) ''মুক্তি-সুখকো বাঞ্ছা নকৰি ভক্তিহে প্ৰকৃত ভক্তৰ কাম্য'' বুলি মাধৱদেৱে কিয় দোহাৰিছে, বিশদভাৱে ব্যাখ্যা কৰাঁ। ১২

অথবা

(খ) শঙ্কৰদেৱে 'হৰমোহন' অধ্যায়ত ভগৱদ্‌মায়াৰ স্বৰূপ কিদৰে উদ্‌ঘাটিত কৰিছে, বিচাৰ কৰাঁ।

৫। (ক) 'কীৰ্ত্তন'ৰ 'শিশুলীলা' খণ্ডত কৃষ্ণ-অৱতাৰৰ মহিমা কিদৰে বৰ্ণোৱা হৈছে, বিশ্লেষণ কৰাঁ। ১২

অথবা

(খ) 'জৰাসন্ধৰ যুদ্ধ' অধ্যায়ৰ মূলতত্ত্ব কি, ব্যাখ্যা কৰাঁ।

দ্বিতীয় খণ্ড

(*মূল্যাঙ্ক* : ৪০)

৬ নং প্ৰশ্ন আৰু আন যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখিবাঁ

৬। (ক) 'বামনপুৰাণ', 'কালিকাপুৰাণ' আৰু 'ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ'ৰ পৰা কি কি কথা, কিদৰে ৰুচিনাথ কন্দলীয়ে তেওঁৰ 'শ্ৰীশ্ৰীচণ্ডী' গ্ৰন্থত সন্নিৱিষ্ট কৰিছে, বিশদভাৱে লিখি শাক্ত কাব্য হিচাপে ইয়াৰ মূল্য নিৰূপণ কৰাঁ। ১৬

অথবা

(খ) সুকবি নাৰায়ণদেৱৰ পৰিচয় আৰু উদ্ভৱকাল উল্লেখ কৰি তেওঁ 'পদ্মাপুৰাণ'ত দাঙি ধৰা অসমীয়া সমাজ-জীৱনৰ ছবিখনৰ বিৱৰণ উপস্থাপন কৰাঁ।

৭। (ক) 'শিৱপুৰাণ' গ্ৰন্থখনত পুৰাণৰ লক্ষণসমূহ নথকা সত্ত্বেও কিয় পুৰাণ বোলা হৈছে, সম্যকভাৱে বিচাৰ কৰাঁ। ১২

অথবা

(খ) অসমীয়া শৈৱসাহিত্যৰ ঐতিহ্য বিচাৰ কৰি 'শিৱপুৰাণ'ৰ স্থান নিৰ্ণয় কৰাঁ।

৮। (ক) অজ্ঞাত কবিৰ 'কালিকাপুৰাণ' বা 'হৰগৌৰী বিৱাহ' গ্ৰন্থত অসমীয়া সমাজৰ বিভিন্ন দিশ কিদৰে পৰিস্ফুট হৈছে, আলোচনা কৰাঁ। ১২

অথবা

(খ) "এহিমতে ব্ৰহ্মা কৰিলন্ত বিধিমত।
হৰগৌৰী বিবাহক যেন সমাগত ॥"

এই উক্তিৰ আধাৰত হৰগৌৰীৰ বিবাহৰ এটি বৰ্ণনা স্পষ্টভাৱে দাঙি ধৰাঁ।

৯। "বিবিধ ৰসৰ সমাৱেশ, চৰিত্ৰসমূহৰ উপযুক্ত ৰূপায়ণ, কল্পনা আৰু অনুভূতি-ৰঞ্জিত বৰ্ণনা আদি বৈশিষ্ট্যবোৰলৈ চাই সুকবি নাৰায়ণদেৱৰ কাব্যক সৃষ্টিমূলক সাহিত্যৰ অন্তৰ্ভুক্ত কৰিব পাৰি।" এই মন্তব্যৰ যথাৰ্থতা বিচাৰ কৰাঁ। ১২

১০। প্ৰাচীন অসমত শাক্তধৰ্মৰ প্ৰচলন সম্পৰ্কে এটি নিবন্ধ ৰচনা কৰাঁ। ১২

GROUP—B

প্ৰথম খণ্ড

(*মূল্যাঙ্ক* : ৪০)

১১ নং প্ৰশ্ন আৰু আন যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ

১১। 'অসমীয়া ভাষাত আৰ্য-ভিন্ন ভাষাৰ উপাদান'—এই শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰাঁ। ১৬

অথবা

অসমীয়া ভাষাৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে চমুকৈ আলোচনা কৰাঁ।

১২। অসমীয়া ভাষাৰ লিঙ্গ নিৰ্ণয়ৰ পদ্ধতিকেইটা কি কি? এই ভাষাত লিঙ্গৰ প্ৰয়োগ সম্পৰ্কে বিৱৰি লিখাঁ। ১২

১৩। অসমীয়া ভাষাৰ ক্ৰিয়ামূল তথা ধাতু সম্পৰ্কে এক আলোচনা দাঙি ধৰাঁ। ১২

১৪। অসমীয়া ভাষাত প্ৰয়োগ হোৱা সৰ্বনামৰ প্ৰকাৰভেদ নিৰ্ণয় কৰি যি কোনো এবিধৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰাঁ। ১২

১৫। তলৰ যি কোনো ছটা শব্দৰ মূল নিৰ্ণয় কৰি মূলৰ পৰা কেনে পৰিৱৰ্তন ঘটি বৰ্তমানৰ ৰূপ পাইছে, দেখুওৱাঁ : ২×৬=১২

কাছ ; আকন ; শেৱালি ; পুৱা ; ৰতন ; মগন ; বোৱাৰী ; কাম ; ধৰম ; মৰণ।

দ্বিতীয় খণ্ড

(*মূল্যাঙ্ক* : ৪০)

১৬ নং প্ৰশ্ন আৰু আন যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ

১৬। অসমীয়া ভাষাৰ স্বৰবৰ্ণবোৰৰ তালিকা প্ৰস্তুত কৰি প্ৰত্যেকৰে আদ্য প্ৰয়োগ দেখুওৱাঁ। ১৬

অথবা

অসমীয়া ভাষাৰ মহাপ্ৰাণ বৰ্ণবোৰৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰাঁ।

১৭। 'অসমীয়া ভাষাৰ বাক্যতত্ত্ব'—এই শীৰ্ষক এটা প্ৰবন্ধ যুগুত কৰা। ১২

১৮। অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ নাম উল্লেখ কৰি প্ৰয়োগ সম্পৰ্কে বিৱৰি লিখাঁ। ১২

১৯। চমু টোকা লিখাঁ (যি কোনো তিনিটা) : ৪×৩=১২

(ক) অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দ

(খ) অসমীয়া ভাষাত বিশেষণৰ প্ৰয়োগ

(গ) অসমীয়া ভাষাত বহুবচনাত্মক প্ৰত্যয়

(ঘ) অসমীয়া ভাষাৰ শব্দবিভক্তি

(ঙ) অসমীয়া ভাষাৰ অল্পপ্ৰাণবৰ্ণ

★★★